**2 0 1 9**

ASSAMESE

( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো **সাতটা**) : ১×৭=৭

(ক) ভাৰতত কেইটা ভাষা-পৰিয়ালৰ ভাষা প্ৰচলিত হৈ আছে?

(খ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' শীৰ্ষক গ্ৰন্থখনৰ লিখক কোন?

(গ) আৰবী ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঘ) য়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তিস্থলক কোনটো ভাষা-পৰিয়ালৰ লোকৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হৈছে?

(ঙ) "ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে ভাষাৰ কোনো জাতিৰ লগত সম্পৰ্ক নাই। ভাষা জন্মগত বা আনুবংশিক নহয়। সি পৰিৱেশৰ অধীন।" উল্লিখিত উক্তিটো কোনে আগবঢ়াইছে?

(চ) ব্যক্তি বিশেষে ভাষাৰ যি ভিন্নৰূপ পোৱা যায় তাক কি বোলে?

(ছ) এখন ৰাজ্যত এটাতকৈ অধিক সাধুভাষা থাকিব পাৰেনে?

(জ) 'এছপিৰেণ্টো' নামৰ কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাটোৰ জন্ম কোন চনত হৈছিল?

(ঝ) টকি-টকি (Taki-Taki) নামৰ ক্ৰেওলীয় ভাষাটো ক'ত প্ৰচলিত?

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) উপভাষা এটাৰ 'পাটোই (Patois)' অৱস্থা মানে কি বুজা?

(খ) ভাষাৰ কোন দুটা বৰ্গীকৰণক অধিক বিজ্ঞানসম্মত বুলি মানি লোৱা হয়?

(গ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ দুটা ধ্বনিগত বৈশিষ্ট্য লিখা।

(ঘ) "Language is a social institution" ভাষা সম্পৰ্কীয় এই উক্তিটোৰ তাৎপৰ্য লিখা।

(ঙ) ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) কোন দুটা ভাষাৰ সংমিশ্ৰণত চিনুক (Chinook) মিশ্ৰ ভাষাটো গঢ় লৈ উঠিছিল?





৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ভাষাৰ পাৰিবাৰিক বৰ্গীকৰণত ৰূপ আৰু বাক্যৰচনাৰ গুৰুত্ব

(খ) ভাষাৰ শব্দভাণ্ডাৰ গঠনত নিৰ্দিষ্ট সংস্কৃতিৰ প্ৰভাৱ

(গ) ৰাষ্ট্ৰভাষা নিৰ্বাচনৰ জটিলতা

(ঘ) কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা

(ঙ) মনোভাষাবিজ্ঞান

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা? আকৃতিমূলক বৰ্গীকৰণ সম্পৰ্কে বিতংকৈ লিখা। ৩+৭=১০

*অথবা*

(খ) পৃথিৱীৰ ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰি ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত 'ভাৰতীয় আৰ্য ভাষা' সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৩+৭=১০

৫। (ক) "ভাষা আৰু সংস্কৃতিৰ ইটোৰ সৈতে সিটোৰ সম্পৰ্ক নাই যদিও কাৰ্যতঃ দুয়োৰে মাজৰ সম্পৰ্ক ঘন।" কথাষাৰৰ যুক্তি-যুক্ততা বিচাৰ কৰি ভাষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক ফঁহিয়াই দেখুওৱা। ২+৮=১০

*অথবা*

(খ) মিশ্ৰ ভাষা বুলিলে কি বুজা? পৃথিৱীৰ চাৰিটা প্ৰধান মিশ্ৰভাষাৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

৬। (ক) অসমীয়া ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ ক্ষেত্ৰত আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা। ১০

*অথবা*

(খ) তলত দিয়া ধ্বনি পৰিৱৰ্তনৰ দিশসমূহৰ পৰা যি কোনো চাৰিটাৰ বিষয়ে চমুকৈ লিখা : $২\frac{১}{২}\times ৪=১০$

ব্যঞ্জন সমীভৱন ; মহাপ্ৰাণীভৱন ; স্বৰাগম ; অপিনিহিতি ; সঘোষীভৱন ; স্বৰভক্তি।

★★★